অধ্যায় ১১ ঃ ভাষা দক্ষতা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ শব্দকোষ ঃ শব্দৰ বাছনি
১১.৪ একাধিক অর্থ থকা শব্দ
১১.৫ সমার্থক আৰু বিপৰীত শব্দ
১১.৬ বাক্য গাঁথনি
১১.৭ কিছুমান সাধাৰণ ভুল
১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৯ অধিক জানিবলৈ
১১.১০আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পৰিস্থিতি অনুযায়ী উপযুক্ত শব্দ ব্যৱহাৰ কেনেকৈ কৰা যায় শিকিব পাৰিব
- সমার্থক আৰু বিপৰীত শব্দৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন বাক্য গাঁথনিৰ ব্যৱহাৰৰ বিষয়ে জানিব পাৰিব
- কিছুমান সাধাৰণ ভুল কিদৰে সংশোধন কৰিব পাৰি সেই বিষয়ে জানিব

১১.২ পৰিচয়

এইটো স্নাতকোত্তৰ পাঠ্যক্ৰমৰ AEC পাঠ্যবিষয়ৰ একাদশ অধ্যায়। ভাষাৰ দক্ষতা আহৰণৰ বাবে এই অধ্যায়ত শব্দ ব্যৱহাৰ, বাক্য গাঁথনিৰ দিশবোৰ আলোচিত হৈছে।

পাঠ্যবিষয়ৰ এই অধ্যায়টোত আপুনি অসমীয়া দক্ষতা লাভৰ বাবে কি কি বিষয়ত গুৰুত্ব দিব লাগিব সেই বিষয়ে আলোচনা আগবঢ়োৱা হ'ব। যিকোনো ভাষা এটা শিকিবলৈ হ'লে সেই ভাষাৰ ব্যাকৰণৰ বিষয়ে কিছু ধাৰণা থাকিব লাগিব। সেই প্ৰাথমিক ধাৰণা আয়ত্ত্ব কৰাৰ পাছত ভাষা শিকা প্ৰক্ৰিয়াটো সহজসাধ্য হয়। ইতিমধ্যে পাঠ্যবিষয়ৰ প্ৰাৰম্ভিক অধ্যায়কেইটাত আপুনি অসমীয়া ব্যাকৰণৰ প্ৰাথমিক ধাৰণা লাভ কৰিলে। গতিকে এই অধ্যায়টোত আমি ভাষা দক্ষতানো কি দৰে আয়ত্ত্ব কৰিব পাৰি সেই বিষয়ে আলোচনা কৰিম।

১১.৩ শব্দকোষঃ শব্দ বাছনি

'শব্দকোষ' শব্দটোৱে কোনো এটা ভাষাৰ সকলো শব্দক বুজায়। শব্দসমূহ হ'ল কথন আৰু লিখনৰ প্ৰাথমিক অধ্যায়। বেছিভাগ ক্ষেত্ৰতেই লেখকৰ ব্যক্তিগত স্বতন্ত্ৰতা পৰিচালিত কৰে লেখকৰ জ্ঞান অথবা ব্যক্তিগত স্বতন্ত্ৰতা পৰিচালিত কৰে লেখকৰ জ্ঞান অথবা পঢ়ুৱৈসকলৰ ৰুচিবোধৰ বিষয়ে থকা লেখকৰ অভিজ্ঞতালব্ধ জ্ঞানৰ ওপৰত দৰাচলতে লেখাসমূহ সকলোৰে উপযোগীকৈ গ্ৰহণযোগ্য আৰু বোধগম্য হোৱাটো বাঞ্ছনীয়। পৰিস্থিতি অনুযায়ী উপযুক্ত শব্দ ব্যৱহাৰ কৰিব পৰাটো এটা গুৰুত্বপূৰ্ণ ভাষা দক্ষতা। এজন সুবক্তা বা লেখকে শব্দ বাছনিত সতৰ্ক হোৱাৰ উপৰিও সদায় সঠিক আৰু উপযোগী শব্দটোহে ব্যৱহাৰ কৰে।

১১.৪ একাধিক অৰ্থ থকা শব্দ

ভাষাভেদে প্ৰত্যেক ভাষাই বিশিষ্ট। ভাষাক এই বিশিষ্ট ৰূপ প্ৰদানত ভাষাটোৰ প্ৰচলন থকা ভৌগোলিক ক্ষেত্ৰ, সমাজ, তাৰ বিশ্বাস-পৰম্পৰাৰ অৰিহণা অপৰিসীম। এই প্ৰভাৱসমূহৰ কথা লক্ষ্য কৰি অসমীয়া ভাষাৰ শব্দৰ কথা বিচাৰ কৰিলে অসমীয়া ভাষাৰ এটা মহিমামণ্ডিত ৰূপ দৃষ্টিগোচৰ হয়। ইয়াৰ লগত অসমীয়া সমাজ, অসমীয়া সাংস্কৃতিক চেতনা বিজড়িত হৈ থাকে। উদাহৰণস্বৰূপে— মানুহজন মৰিল বুলি নকৈ নশ্বৰদেহ এৰিলে, ঢুকাল, স্বৰ্গগামী হ'ল, সিপুৰী হ'ল আদি শব্দৰ প্ৰয়োগ হয়। এইদৰে আমি বিশাল অসমীয়া শব্দ ভাণ্ডাৰ খুচৰিলে অনেক মণি-মাণিকৰ সন্ধেদ পাব পাৰো।

শাখাটোৰ আলোচ্য বিষয়লৈ আহিলে আমি দেখিবলৈ পাম যে অসমীয়া ভাষাত এনে কিছুমান শব্দ আছে যাৰ একাধিক অৰ্থ আছে। আহকচোন, কেইটামান উদাহৰণৰ সহায়ত এই বিষয়ে আলোচনা কৰোঁ----

বসন্ত ঃ বসন্ত শব্দটো দুটা অৰ্থত ব্যৱহাৰ হয়। এটা হৈছে ঋতু শ্ৰেষ্ঠ বসন্ত আৰু অন্যটো হৈছে সেই ঋতুতে প্ৰাদুৰ্ভাৰ ঘটা বসন্ত ৰোগ। লোকজীৱনৰ এই বসন্ত ৰোগক 'বৰ আই ', 'মাজু আই', ' সৰু আই' আদি নামেৰে জনা যায়। গতিকে অসমীয়াত প্ৰয়োগ হোৱা 'বসন্ত ' শব্দটোৰ লগত সাংস্কৃতিক চিন্তা আৰু ব্যৱহাৰিক জীৱন সম্পৃক্ত হৈ আছে। বসন্ত ঋতুত বহাগ বিহু অনুষ্ঠিত হয় যি অসমীয়া চহা জীৱনৰ বিশ্বাস-পৰম্পৰা আৰু ঐশ্বৰ্যময় লোক কলা-কৃষ্টিৰ সংবাহক। অসমৰ জাতীয় জীৱনত এই বসন্তকালীন উৎসৱে তাৎপৰ্য্যপূৰ্ণ ভূমিকা পালন কৰে। আকৌ এই ঋতুত প্ৰাদুৰ্ভাৰ ঘটা বসন্ত ৰোগৰ কথা বিচাৰ কৰিলে এই ৰোগৰ লগত জড়িত অসমীয়া সমাজৰ বিশ্বাস , লোক-চিকিৎসাৰ আভাস পাব পাৰি। এইদৰে নিৰ্দিষ্ট কিছুমান শব্দই যে একোখন বিশেষ সমাজ বা একোটা জাতীয় জীৱনক প্ৰভাৱিত কৰিব পাৰে তাৰ মনোজ্ঞ উদাহৰণ পাব পাৰি।

শিক্ষা ঃ শিক্ষা শব্দটোৰে পোনচাটেই শিক্ষকে ছাত্রক পাঠদান কৰা কথাটো মনত পেলাই দিয়ে। শিক্ষা শব্দটোৰে আনহাতে শিক্ষা বিভাগ অর্থাৎ এটা বিদ্যায়তনিক বিভাগৰ কথাও বুজাব পাৰে। সেইদৰে চৰকাৰৰ প্রশাসনিক বিভাগসমূহৰ ভিতৰত শিক্ষা দপ্তৰটোও এটা।

কথা ঃ মানুহে ইজনে সিজনৰ লগত ভাবৰ আদান-প্রদান কৰাকে কথা-বতৰা পতা বোলে। সেইদৰে গল্প উপন্যাস আদি গদ্যত ৰচিত সাহিত্য সৃষ্টি। এই ৰচনাসমূহক কথা সাহিত্য বোলা হয়। গতিকে কথা শব্দটোৰ আমি দুটা অর্থ পালো।

পাট (বঠা পাট) ঃ নাওঁ বাবলৈ বঠাৰ প্রয়োজন । এক সংখ্যক বঠাক বঠাপাট বা এপাত ব'ঠা বোলে। খণ্ডৰ কোবত বেয়া পোৱা মানুহজনক উদ্দেশ্য কৰি তৃতীয় ব্যক্তিৰ আগত তেওঁৰ বিষয়ে কিবা ক'বলগীয়া হ'লে 'সেইপাট' তুচ্ছার্থবোধক শব্দটো প্রয়োগ কৰে। তেতিয়া 'পাট' শব্দটোৰ অর্থ ভিন্ন হয়।

ডাল ঃ সেইদৰে ডাল শব্দটোৰে দীঘল মাৰি বিশেষক বুজায়। যেনে - লাঠিডাল , বাঁহডাল। কেতিয়াবা ওই ডাল শব্দটো কাৰোবাক খণ্ডৰ কোবত নির্দিষ্টকৈ চিনাক্ত কৰাটো বুজাব পাৰে। যেনে- এই ডালক কোনোপধ্যে ভৰষা কৰিব নোৱাৰি।
এইডালে কথা কৈছে শুনা ইত্যাদি।

উল্লেখ কৰি অহা উদাহৰণসমূহৰ পৰা এইটো ক'ব পাৰি যে অসমীয়া সমাজ জীৱনত বিভিন্ন সামাজিক আদান-প্রদান, ভাৱ-অনুভুতিৰ আদান-প্রদান বা ব্যৱহাৰিক জীৱনত সন্মুখীন হোৱা পৰিবেশ-পৰিস্থিতিত প্রয়োগ হোৱা এই শব্দবোৰ অসমীয়া ভাষাৰ নিজা সম্পত্তি। মন কৰিবলগীয়া যে পাট (ব'ঠা পাট), ডাল (বাঁহডাল) আদি শব্দই নির্দিষ্টকৈ একোটা বস্তুৰ আকাৰ -প্রকাৰ আৰু ওজনৰ বিষয়েও ধাৰণা দিয়ে। ব'ঠাপাট বুলি ক'লে আমাৰ মনলৈ আহিব এবিধ কিছু দীঘল, চেপেটা আকাৰৰ নাওঁ বোৱা সজুলি। সেইদৰে লাঠিডাল বা বাঁহডাল বুলি ক'লে আমাৰ মনলৈ আহিব পোন, দীঘল, কিছু শকত ওজন থকা প্রকৃতিজাত বস্তু।



চিন্তা-চর্চা কৰক ১১.১

প্রশ্ন ১ ঃ কেইটামান একাধিক অর্থ থকা শব্দ বাছি উলিয়াই সেই শব্দবোৰৰ প্রায়োগিক তাৎপর্য বিচাৰ কৰক।

১১.৫ সমার্থক আৰু বিপৰীত শব্দ

পৰিমাণগত দিশৰ পৰা বিচাৰ কৰিলে সমার্থক আৰু বিপৰীত শব্দই একোটা ভাষাৰ শব্দ ভাণ্ডাৰৰ গুণমান আৰু স্থিতি (ঐশ্চর্যময়)ৰ কথা সূচায়। আমাৰ জ্ঞানৰ দক্ষতা ইমানদূৰ বৃদ্ধি কৰিব লাগিব যে আমি বিভিন্ন শব্দৰ মাজত একে অর্থ বহন কৰা শব্দ বিচাৰি পাব লাগিব আৰু

এই বিভিন্ন শব্দৰ মাজত একে অর্থ বহন কৰাটোক সমার্থক শব্দ (বেল দলবস) বুলি জনা যায়। দুটা শব্দ সমার্থক শব্দ হ'বলৈ ইহতৰ একে অর্থ হ'ব লাগিব, লগতে এই শব্দসমূহ সকলো ক্ষেত্রতে এটা আনটোৰ পৰিৱর্তে ব্যৱহাৰ কৰিব পৰা হ'ব লাগিব।

সমার্থক শব্দৰ উদাহৰণ

পৃথিৱীঃ বিশ্ব, বসুন্ধৰা, ধৰিত্রী, বসুমতী, ধৰা, বসুধা, ধৰণী, মহী, মেদিনী, ক্ষিতি, অৱনী, ভূ।

সূর্যঃ ভাস্কৰ, দিবাকৰ, আদিত্য, তপন, অনল, বেলি, দিননাথ, ৰৱি, ভানু, মার্কণ্ড, মিহিৰ, অৰুণ, অংশুমালী, প্রভাকৰ, দিনকৰ, দিনবন্ধু।

গছ ঃ বৃক্ষ, তৰু।

ৰাতি ঃ নিশা, ৰজনী, যামিনী, ক্ষমা, ক্ষণদা।

চন্দ্র ঃ জোন, জোনবাই, চন্দ্রমা, সুধাকৰ, নিশিপতি, সুধাংশু, সিতাংশু, নিশাকৰ, শশধৰ, শশাংক, শশী।

ঘৰ ঃ ভৱন, আলয়, নিলয়, গৃহ, আবাস।
নদী ঃ প্রবাহিনী, স্রোতস্বিনী, নৈ, তটিনী, স্রোতৱতী, তৰংগিনী, সৰিৎ।

বায়ু ঃ অনিল, সমূৰ, সমীৰণ, বতাহ, পবন।

পদুম ঃ উৎপল, শতদল, সৰোজ, অৰবিন্দ, নলিনী, নলিন, নিৰজ, পদ্ম, কমল, শতপত্র, পংকজ, সৰসিজ।

মেঘ ঃ ডাৱৰ, অম্বৰ, নীৰদ, জলদ, বাৰিদ, জলধৰ।

কপাল ঃ ভাগ্য, ললাট।

জিভা ঃ জিহ্বা, ৰসনা।

ৰজা ঃ ভূপতি, নৃপতি, মহীপতি, নৰপাল, নৰপতি, ন্নৰেশ্বৰ, ৰাজন, ক্ষিতিপাল, মহীপাল।


শিক্ষার্থীৰ জ্ঞাতার্থে জনাও যে অসমীয়া ভাষাৰ ঐশ্চর্যশালী শব্দ ভাণ্ডাৰলৈ মন কৰিলে আমাৰ দৃষ্টি এনে কিছুমান শব্দৰ ওপৰত পৰিব যিবোৰ শব্দৰ বিষয়ে জনাটো আমাৰ বাবে প্রয়োজনীয়। বিশেষকৈ অসমীয়া ভাষাত দক্ষতা অর্জন কৰি সৃষ্টিশীল লেখাই হওঁক বা গহীন বিদ্যায়তনিক বা গৱেষণামূলক লেখাই হওঁক তাৰ অনুশীলনীৰ ক্ষেত্রত কেতিয়াবা কিছুমান বিশেষ শব্দৰ বিষয়ে ধাৰণা থকাটো প্রয়োজন। সেই বিশেষ শব্দসমূহক বানান অনুসৰি সমোচ্চাৰণ

শব্দৰ অর্থ শিতানত আলোচনা কৰিব পাৰি। তলত তেনে শব্দ কেইটামানৰ উদাহৰণ আগবঢ়োৱা হ'ল-

শব্দ	অর্থ
ৰান্ধনি	ভাত ৰন্ধা পুৰুষ ৰান্ধনি
ৰান্ধনী	ভাত ৰন্ধা স্ত্রী ৰান্ধনী
পানী	খোৱা পানী
পাণি	হাত
পাণ	পাণ গছৰ পাত
পান	জুলীয়া পদার্থ পী খোৱা
নীড়	চৰাইৰ বাঁহ, আশ্রয় স্থল
নীৰ	চকুৰ পানী
পাত	গছৰ পাত
পাট	পাট সুতা

অটল	স্থিৰ, লৰচৰ নোহোৱা
অতল	তলি পাবলৈ নোহোৱা , অতি দ
আঁট	যথেষ্ট হ , জোৰ
আট	টানি বান্ধ
আঁচল	কাপোৰৰ আগ
আচল	প্রকৃত
কানি	ফটা কাপোৰ, আফিং
কাণী	কণা স্ত্রী
কৰী	হাতী
কৰি	কৰ ধাতুৰ অসমাপিকা
কাহ্	এবিধ ৰোগ
কাঁহ	তাম আৰু ৰাং মিহলি এবিধ ধাতু
কাঁড়ী	কাঁড় মাৰোতা , কাঁড়েৰে যুদ্ধ কৰোতা
কাঁৰি	মাছৰ দৰে পিঠি উলিয়াই পানীৰ তলে তলে গতি
কাঁৰী	চোকোৱা গুচোৱা , পৰিষ্কাৰ কৰা
ঘটি	নাকৰ ভিতৰৰ নোম

ঘটী	পানীৰ পাত্ৰ
পিৰা	তপিনা
পীড়া	ৰোগ, দুখ কষ্ট
পীৰা	কাঠৰ বহা আসন



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ তলত দিয়া প্ৰতিযোৰ শব্দৰ অৰ্থ লিখক আৰু অৰ্থ প্ৰকাশ পোৱাকৈ বাক্য ৰচনা কৰক।

পানী-পাণি, নীড়- নীৰ, আঁচল-আচল, পিৰা-পীড়া।

বিপৰীত শব্দ

যিবোৰ শব্দই বিপৰীত অৰ্থ বহন কৰে সেই শব্দবোৰকে বিপৰীত শব্দ বুলি জনা যায়। বিপৰীত শব্দসমূহক ইয়াৰ মান নিৰ্ণায়ক গুণ আৰু অৰ্থৰ সমৃদ্ধিমূলক বিপৰীত শব্দৰ আধাৰত অধ্যয়ন কৰিব পৰা যায়। মান নিৰ্ণায়ক গুণৰ ধাৰণাটো নিৰ্ভৰ কৰে তুলনাৰ সম্ভাৱনাৰ ওপৰত। তলত কেইটামান বিশেষ শব্দৰ আধাৰত এই ধাৰণাটো বুজাবলৈ প্ৰয়াস কৰা হৈছে।

শব্দ	বিপৰীত শব্দ
বিশাল	ক্ষুদ্ৰ
ডাঙৰ	সৰু
প্ৰবীন	নবীন
গৰম	ঠাণ্ডা
তপত	শীতল
বহল	ঠেক
উচ্চ	নিম্ন
ভাল	বেয়া
শকত	ক্ষীণ

এই আটাইবোৰ শব্দ একো একোটা বিশেষণ আৰু ইহঁতৰ এটা সাধাৰণ বৈশিষ্ট্য হ'ল মান নিৰ্ণায়ক গুণ। ইয়াৰ অৰ্থ হৈছে শব্দত কিবা গুণ জড়িত হৈ আছে। সেই কাৰণে পথ এটা 'বহল ' বা ' বেছি বহল' হ'ব পাৰে। যেতিয়া এটা পথ আন এটা পথতকৈ বেছি বহল বুলি কওঁ , আমি আচলতে মান নিৰূপণ প্ৰক্ৰিয়াত সেই শব্দটো তুলনা কৰোঁ।

যুৰীয়া শব্দবোৰৰ মান নিৰূপণ কৰিব নোৱাৰি। তেনে কেইটামান যুৰীয়া বিপৰীত শব্দ হৈছে-

পুৰুষ	নাৰী
বিবাহিত	অবিবাহিত
জীৱিত	মৃত
ল'ৰা	ছোৱালী

যিবোৰ বিপৰীত শব্দক সম্বন্ধমূলক বিপৰীত শব্দ বুলি অভিহিত কৰা হয় সেইবোৰৰ বিভিন্ন যুৰীয়া শব্দৰ উদাহৰণ হ'ল -

মা	দেউতা
ককা	আইতা
দমৰা	চেঁউৰী
দঁতাল	মাখুন্দী
পুত্ৰ	কন্যা
দৰা	কইনা
বোন্দা	জাঁই
শৰ	ভেলেঙী
তাৰৈ	আমৈ
দেৱৰ	ননদ
খুৰা	খুৰী

এই শব্দসমূহ এটাৰ ওপৰত আনটো নির্ভৰশীল, এটাৰ পাছতহে আনটো আহে।

আনহাতে , এনেকুৱা কিছুমান বিপৰীত শব্দ আছে যিয়ে অস্থায়ী সম্পর্ক কিছুমান সূচায়। যেনে - সোধা - উত্তৰ দিয়া, অহা-যোৱা ইত্যাদি। ইহঁতৰ সম্পর্কবোৰ মূখ্যতঃ দ্বিঅংগী হোৱা বাবে ইয়াক আমি দ্বিঅংগী বিপৰীত শব্দ বুলি ক'ব পাৰো। উদাহৰণস্ব ৰূপে - সংস্থাপিত - নিবনুৱা, ধনী - দুখীয়া, জীৱিত-মৃত ইত্যাদি।

১১.৬ বাক্য গাঁথনি

সাংবাদিকসকলে তথ্যসমূহ, যিবোৰ সত্যৰ ওপৰত প্রতিষ্ঠিত, আহৰণ কৰে আৰু সেই তথ্যসমূহেই বাতৰি বা প্রৱন্ধ হিচাপে প্রকাশ পায়। লেখকজনে তথ্যসমূহ বিষদভাৱে আহৰণ কৰে, বিভিন্ন বাক্যৰ গাঁথনি ব্যৱহাৰ কৰি এক গ্রহণযোগ্য আকৃতি প্রদান কৰে। আজিৰ সাংবাদিক বা প্রৱন্ধ লেখকসকলে জ্ঞানৰ পৃথিৱীখনৰ উন্নতিৰ লগে লগে প্রচুৰ পৰিমাণে তথ্য আহৰণ কৰিব পাৰিছে। এনেকুৱা পৰিস্থিতিত বাক্য-গাঁথনি উন্নত মানৰ কৰিবলৈ সাংবাদিক আৰু প্রৱন্ধ

লেখকৰ দায়িত্ব গধূৰ হৈ পৰিছে।

সাংবাদিক বা প্ৰবন্ধ লেখকসকলে যিকোনো বস্তু লিখাৰ আগত লেখাটোৰ উদ্দেশ্য সম্পৰ্কে নিজকে এটা প্ৰশ্ন কৰিব লাগিব— মই এই বাতৰিটো কিয় লিখি আছোঁ, কোন মোৰ সম্ভৱতঃ পঢ়ুৱৈ হ'ব?

আদৰ্শ বাক্য গাঁথনিৰ ক্ষেত্ৰত মনত ৰাখিবলগীয়া কথাকেইটা এনেধৰণৰ ঃ

(a) শব্দৰ গাঁথনিসমূহ সুসংজ্ঞাবদ্ধ শব্দৰে গঠিত হ'ব লাগিব। সকলো শব্দ দ্ব্যৰ্থকতাহীন হোৱাৰ লগতে স্পষ্টকৈ বুজিব পৰা হ'ব লাগিব। লগতে সকলো শব্দ ব্যৱহাৰ কৰাৰ আঁৰত এটা উদ্দেশ্য থাকিব লাগিব।

(b) অপ্ৰয়োজনীয় শব্দ ব্যৱহাৰৰ পৰা আঁতৰত থাকিব লাগিব। "এটা পথ দুৰ্ঘটনাত দহজন মানুহ নিহত হৈছে" — এনেকুৱা ধৰণৰ শিৰোনামা পৰিহাৰ কৰিব লাগিব। ইয়াত তিনিটা অতিৰিক্ত শব্দ আছে— মানুহ, হৈছে, এটা। শিৰোনামটো এই তিনিটা শব্দ ব্যৱহাৰ নকৰাকৈও অৰ্থপূৰ্ণ হ'ব পাৰে।

(c) বাতৰি লিখোঁতে কৰ্ম বাচ্য ব্যৱহাৰ কৰাটো প্ৰাকৃতিকভাৱে বেছি সুবিধাজনক। যেনে— বালিপাৰাত সমূহীয়া শ্ৰম প্ৰদান, বানাক্ৰান্তলৈ সাহায্য, ইত্যাদি।

১১.৭ কিছুমান সাধাৰণ ভুল

দেখাত নিজৰ মাতৃভাষাত কথা পতা বা লিখা-মেলা কৰা সহজ যেন ধাৰণা হয়। পিছে দ কৈ গমি চালে দেখিবলৈ পোৱা যাব যে আমাৰ দৈনন্দিন জীৱনতেই হওঁক বা লিখা-মেলা কৰোতেই হওঁক, আমাৰ কিছুমান সৰু-সু�ৰা বিভ্ৰাট ঘটে। এই বিভিন্ন বিভ্ৰাটৰ কথা আমি মান্য ভাষাটোত লিখাৰ প্ৰসংগক লৈ আলোচনা কৰিবলৈ লৈছো।

আজিকালি আমি লিঙ্গভেদে 'ভাত বনাও', 'চাহ বনাও', 'কণী বনাও', 'মাংস বনাও', 'দাঢ়ি বনাও', 'পিঠা বনাও', 'কে'ক বনাও' ইত্যাদি ব্যৱহাৰ কৰোঁ। এইটো সত্য যে আমি অসমীয়া ভাষা-ভাষীসকল ওচৰ-চুবুৰীয়া অন্যান্য ভাষা-ভাষীৰ প্ৰভাৱত পৰিছো। কিন্তু আমি মনত ৰাখিব লাগিব যে আমাৰ নিজৰ মাতৃভাষা এটা সমৃদ্ধিশালী ভাষা। অসমীয়া ভাষাৰ এটা সমৃদ্ধ শব্দভাণ্ডাৰত সেই শব্দ ভাণ্ডাৰত কিছুমান আপুৰুগীয়া শব্দ ৰক্ষিত হৈছে। আমি ভাত নবনাও। আমি ভাত ৰান্ধো। কাৰণ, ভাতৰ লগত পাকশাল আৰু ৰন্ধন কাৰ্যৰ সম্বন্ধ আছে। সেইদৰে আমি চাহ তপতাও, পানী তপতাও। কোনো অতিথি ঘৰলৈ আহিলে ঘৰৰ গিৰীহঁতে ঘৰৰ গিৰীহঁতনি বা অন্য কাৰোবাক 'যোৱাচোন, চাহ বহাই দিয়াগৈ' বোলা কথাষাৰে এইটো কথাৰ প্ৰতি ইংগিত দিয়ে যে তেওঁ যাক উদ্দেশ্য কৰি কথাষাৰ কয় তেওঁ ৰান্ধনীশাললৈ গৈ পানী তপতাই (গৰম কৰি) তাত চাহপাত দি চাহ কেইপিয়লা সাজু কৰো যেন। কিন্তু 'চাহ বহাই

দিয়া'ৰ দৰে শব্দবোৰ যেন আজি আমাৰ মাজৰ পৰা হেৰাই যোৱাৰ উপক্রম হৈছে।

কণী নবনাই, কণী সিজাইহে; দাঢ়ি নবনাই, দাঢ়ি খুৰাইহে; চুলি নাকাটে, চুলি ছাটেহে ইত্যাদি।

অসমীয়া ভাষাৰ কাৰক আৰু বিভক্তিৰ নির্দিষ্ট সূত্র আছে। এই সূত্র মতে আমি বহুতেই বাক্যত কাৰক আৰু বিভক্তিৰ যথাযথ প্রয়োগ নকৰো। এটা সাধাৰণ উদাহৰণ দিয়া যাওঁক—

'মই ঘৰত যাওঁ'— এইটো এটা অশুদ্ধ বাক্য। শুদ্ধ বাক্যটো হ'ব— 'মই ঘৰলৈ যাওঁ' এই বাক্যটো নিমিত্ত কাৰকৰ উদাহৰণ। অসমীয়া ভাষাত 'প্রতি', 'নিমিত্ত', 'উদ্দেশ্য', 'দিশ', 'লক্ষ্য' আদি অর্থত ক্রিয়াৰ লগত কিছুমান শব্দৰ সম্বন্ধ ঘটে। তাক নিমিত্ত কাৰক বুলি কোৱা হয়। নিমিত্ত কাৰকত চতুর্থী বিভক্তি যোগ হয়। চতুর্থী বিভক্তিৰ চিন হ'ল 'লৈ'। অর্থাৎ মই ঘৰ অভিমুখে বা ঘৰৰ দিশে, ঘৰক লক্ষ্য কৰি আগবাঢ়িছো। সেইবাবে ইয়াত শুদ্ধ বাক্যটো হ'ব মই ঘৰলৈ যাওঁ।

আনহাতে, 'মই ঘৰত যাওঁ'— ইয়াত 'ঘৰত' অধিকৰণ কাৰকত প্রয়োগ হোৱা সপ্তমী বিভক্তিৰ চিন 'ত' প্রয়োগ হৈছে। অধিকৰণ কাৰক হৈছে সেয়া যাক আধাৰ কৰি ক্রিয়া সম্পাদিত হয়। অর্থাৎ স্থান, কাল, পাত্রই যাক আশ্রয় কৰি বা আধাৰ হিচাপে লৈ ক্রিয়াটো সমাধা হয় তাক অধিকৰণ কাৰক বুলি কোৱা হয়। সপ্তমী বিভক্তিৰ চিন হ'ল 'ত'। অর্থাৎ ইয়াৰ উদাহৰণ হ'ব— মই ঘৰত থাকো, মই ঘৰত যাওঁ নহয়।

সেইদৰে আমি 'নামকৰণ'ক নামাকৰণ কৰোঁ— যিটো ভুল প্রয়োগ, 'শিৰোনাম'ৰ সলনি 'শিৰোনামা' লিখো— যিটো ভুল প্রয়োগ।

সৃষ্টিশীল ৰচনাই হওঁক বা নিৰন্ধই হওঁক বা গৱেষণামূলক ৰচনাই হওঁক, যিকোনো ৰচনাতে ভাষাৰ ভুল প্রয়োগৰ পৰা বিৰত হ'ব লাগে। ভাষাৰ ভুল প্রয়োগে অর্থৰ বিসংগতি ঘটায়। ফলত লেখকৰ কাপৰ পৰা নির্গত হোৱা সেই সৃষ্টি সার্থক নহয়।



অনুশীলনী ১১.২

ভাষাৰ ভুল প্রয়োগ কি? অসমীয়া ভাষাত প্রত্যক্ষ কৰা ভুল প্রয়োগ কেইটামানৰ কথা উল্লেখ কৰক।



১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষা দক্ষতা কি সেই বিষয়ে এটা ধাৰণা লাভ কৰিলো।
- আমাৰ লেখাত শব্দসমূহ উপযুক্তভাৱে ব্যৱহাৰ কৰিবলৈ প্রয়োজন হয় এক বিশেষ দক্ষতাৰ। যিকোনো পৰিস্থিতিত উপযুক্ত শব্দসমূহৰ বাছনি কৰাটো এক গুৰুত্বপূর্ণ

ভাষা দক্ষতা যি অর্জন কৰাটো অতিকৈ প্ৰয়োজনীয়।

- উপযুক্ত শব্দটো ব্যৱহাৰ কৰিবলৈ হ'লে আমাৰ উপলব্ধ শব্দসমূহৰ পৰা আটাইতকৈ উপযোগী শব্দটো নিৰ্বাচন কৰিব লাগিব। কিছুমান যুটীয়া শব্দ দেখাত একে বা উচ্চাৰণত ধ্বনি একে হোৱা বাবে ভাষা ব্যৱহাৰকাৰীসকলক বিবুদ্ধিত পেলায়। এই শব্দসমূহৰ মাজত থকা পাৰ্থক্য আমি নিৰ্ধাৰণ কৰিব লাগিব।
- সেইদৰে সমাৰ্থক শব্দ আৰু বিপৰীত অৰ্থসূচক শব্দৰ বিষয়েও স্পষ্ট ধাৰণা লাভ কৰিলোঁ।
- ভাষা দক্ষতাৰ বাবে ব্যাকৰণৰ সঠিক ব্যৱহাৰ আৰু গ্ৰহণযোগ্য বাক্যৰ অতিকৈ প্ৰয়োজন। আমাৰ অসমীয়া গ্ৰহণযোগ্য কৰিবলৈ হ'লে আমি ব্যাকৰণৰ নিয়মৰ লগতে ভাষা ব্যৱহাৰৰ মান সম্পৰ্কে অৱগত হ'ব লাগিব। ব্যাকৰণৰ গঠন অথবা ইয়াৰ গ্ৰহণযোগ্যতাক আওকাণ কৰিলে আমাৰ ভাষা ত্ৰুটিপূৰ্ণ হৈ পৰে।



১১.৯ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Gupta, V.S.(2003) *Handbook of Reporting and Communication Skills.* New Delhi :Concept Publishing Company.

2) Kamath, M.V. (1980) *Professional Journalism,* Vikas Publishing House

3) Manser, Martin M (2010) *Guide to Style,* Viva Books

4) Shrivastava, C.S. and Parekh, R.K. (2012) *Modern Journalism,* New Delhi : Crescent Publishing Corporation,

অসমীয়া গ্ৰন্থ ঃ

১. ডেকা, ধৰ্ম্মসিংহ (২০১৭); *ৰচনা বিচিত্ৰা*; পাণ বজাৰ ঃ অসম বুক ডিপো



১১.১০ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ পানী (খোৱা পানী) ঃ পানী প্ৰাণীৰ প্ৰাণ
পাণি (হাত) ঃ বীণাপাণি বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী.....
.....